NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 20**-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

**HEADLINES**

১। ১৯ সংখ্যক জি-২০ শীৰ্ষ সন্মিলনৰ কালি ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰোত সামৰণি পৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জি-২০ শীৰ্ষ সন্মিলনৰ অন্তিম দিনা কালি বহনক্ষম উন্নয়ন আৰু শক্তি সৰবৰাহ সম্পৰ্কীয় প্ৰথম সত্ৰত ভাষণ দিয়ে।

৩। মহাৰাষ্ট্ৰৰ একক পৰ্যায়ৰ বিধানসভা নিৰ্বাচন আৰু ঝাৰখণ্ড বিধানসভাৰ নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ আৰম্ভ হৈছে।

৪। ভাৰতীয় আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ ৫৫ সংখ্যক সংস্কৰণ আজি গোৱাত আৰম্ভ হ'ব।

*আৰু*

৫। ভাৰত আজি মহিলাৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ফাইনেলত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০

১৯ সংখ্যক জি-২০ শীৰ্ষ সন্মিলনৰ কালি ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰোত সামৰণি পৰে। ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুলা দা ছিলভাই ৰাষ্ট্ৰগোষ্ঠীটোৰ অধ্যক্ষতাৰ দায়িত্ব দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি চিৰিল ৰামাফোছাৰ হাতত অৰ্পণ কৰে। সামৰণি ভাষণত ৰাষ্ট্ৰপতি লুলাই ব্ৰাজিলৰ অধ্যক্ষতাত লোৱা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। এনে পদক্ষেপৰ ভিতৰত ক্ষুধা আৰু দৰিদ্ৰতাৰ বিৰুদ্ধে গোলকীয় জোঁটৰ শুভাৰম্ভ, কৰ আৰোপন সন্দৰ্ভত নজিৰবিহীন বিতৰ্ক, বিত্ত মন্ত্ৰালয় আৰু কেন্দ্ৰীয় বেংকসমূহৰ কাৰ্যসূচীত জলবায়ু পৰিৱৰ্তনৰ অন্তৰ্ভুক্তি আৰু জৈৱ অৰ্থব্যৱস্থা সম্পৰ্কীয় প্ৰথম বহুপাক্ষিক নথিত অনুমোদন অন্যতম। গোলকীয় প্ৰশাসন অধিক ফলপ্ৰসূ আৰু প্ৰতিনিধিত্বমূলক কৰি তোলাৰ বাবে কাম কৰা আৰু জি-২০ সমাজৰ জৰিয়তে সম্প্ৰদায়ৰ সৈতে আলোচনাৰ দৰে বিষয়সমূহেও এনে পদক্ষেপত স্থান লাভ কৰিছে। ৰাষ্ট্ৰপতি লুলা দা ছিলভাই কয় যে দক্ষিণ আফ্ৰিকাৰ অধ্যক্ষতাৰ পাছত জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ আটাইকেইখন দেশে কমেও এবাৰকৈ ৰাষ্ট্ৰগোষ্ঠীটোৰ অধ্যক্ষতাৰ দায়িত্ব বহন কৰাৰ কৃতিত্ব অৰ্জন কৰিব। সন্মিলনত বাতৰি সংগ্ৰহৰ বাবে ব্ৰাজিললৈ যোৱা আমাৰ সংবাদদাতাই জনাইছে যে জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ ব্ৰাজিল শীৰ্ষ সন্মিলনৰ সামৰণিৰ লগে লগে উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ অধ্যক্ষতাত ৪ বছৰৰ ধাৰা সম্পূৰ্ণ হ'ল। ইয়াৰ অধীনত ইণ্ডোনেছিয়া, ভাৰত আৰু ব্ৰাজিলে ৰাষ্ট্ৰগোষ্ঠীটোৰ অধ্যক্ষতাৰ দায়িত্ব সম্পূৰ্ণ কৰিলে আৰু দক্ষিণ আফ্ৰিকাক ইয়াৰ অধ্যক্ষতাৰ দায়িত্ব অৰ্পণ কৰা হ'ল।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জি-২০ শীৰ্ষ সন্মিলনৰ কালি দ্বিতীয় দিনা বহনক্ষম উন্নয়ন আৰু শক্তি সৰবৰাহ সম্পৰ্কীয় প্ৰথম সত্ৰত ভাষণ দিয়ে। শ্ৰীমোদীয়ে কয়, যে নতুন দিল্লীত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনৰ সময়ত ৰাষ্ট্ৰগোষ্ঠীটোৱে ২০৩০ চনৰ ভিতৰত নবীকৰণযোগ্য শক্তি সামৰ্থ্য তিনি গুণলৈ আৰু শক্তি

দক্ষতা দুগুণলৈ বৃদ্ধি কৰিবলৈ সংকল্প গ্ৰহণ লৈছিল। তেওঁ লগতে বহনক্ষম উন্নয়নৰ এই অগ্ৰাধিকাৰসমূহ আগুৱাই লৈ যাবলৈ ব্ৰাজিলে গ্ৰহণ কৰা সিদ্ধান্তৰ প্ৰতি আদৰণি জনায়।

প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণত বহনক্ষম উন্নয়ন ত্বৰান্বিত কৰাৰ বাবে ভাৰতে লোৱা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। এই সন্দৰ্ভত শ্ৰীমোদীয়ে বিগত ১০ বছৰত ৪ কোটি পৰিয়ালক বাসগৃহ প্ৰদান, বিগত পাঁচ বছৰত ১২ কোটি পৰিয়ালক বিশুদ্ধ খোৱাপানী যোগান, ১০ কোটি পৰিয়াললৈ নিকা ৰন্ধন ইন্ধন যোগান আৰু ১১ কোটি ৫০ লাখ পৰিয়ালক শৌচালয় প্ৰদান কৰাৰ কথা উল্লেখ কৰে। তেওঁ লগতে পেৰিছ প্ৰতিশ্ৰুতি পূৰণৰ লক্ষ্যত উপনীত প্ৰথমখন জি-২০ ৰাষ্ট্ৰৰূপে পৰিগণিত হোৱাৰ ভাৰতৰ সাফল্যৰ বিষয়েও উল্লেখ কৰে। তেওঁ কয় যে ভাৰতে ২০৩০ চনৰ ভিতৰত ৫০০ গিগাৱাট নবীকৰণযোগ্য শক্তি উৎপাদনৰ লক্ষ্য স্থিৰ কৰিছে আৰু ইতিমধ্যে ২০০ গিগাৱাট এনে শক্তি উৎপাদন কৰিবলৈ সমৰ্থ হৈছে। শ্ৰীমোদীয়ে আন্তঃৰাষ্ট্ৰীয় সৌৰ জোঁট, বিপৰ্যয় প্ৰতিৰোধী আন্তঃগাঁথনি জোঁট, মিছন লাইফ, এটা সূৰ্য, এখন পৃথিৱী এটা গ্ৰীড আৰু বহনক্ষম ধৰিত্ৰীৰ বাবে গোলকীয় জৈৱ ইন্ধন জোঁটৰ লেখিয়া ভাৰতে গ্ৰহণ কৰা গোলকীয় উদ্যমৰ বিষয়েও উল্লেখ কৰে। গ্লোবেল ছাউথ হিচাপে পৰিচিত অৰ্থনৈতিক আৰু ঔদ্যোগিক দিশৰ পৰা তুলনামূলকভাৱে কম উন্নত বিশেষকৈ উন্নয়নশীল ক্ষুদ্ৰ দ্বীপ ৰাষ্ট্ৰসমূহৰ বহনক্ষম উন্নয়নৰ আৱশ্যকতাত অগ্ৰাধিকাৰ প্ৰদান কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে আহ্বান জনায়। শ্ৰীমোদীয়ে তৃতীয় ভইচ অব দ্য গ্লোবেল ছাউথ শীৰ্ষ সন্মিলনত ভাৰতে ঘোষণা কৰা গোলকীয় উন্নয়ন উদ্যমলৈ সমৰ্থন আগবঢ়াবলৈ ৰাষ্ট্ৰসমূহৰ প্ৰতি আহ্বান জনায়।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এণ্টনি আলবানিজ কালি ৰিঅ' ডি জেনেৰ'ত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনৰ আপাহতে দ্বিতীয় ভাৰত-অষ্ট্ৰেলিয়া বাৰ্ষিক সন্মিলনত মিলিত হয়। দুয়োগৰাকী নেতাই প্ৰতিৰক্ষা আৰু নিৰাপত্তা, বাণিজ্য আৰু বিনিয়োগ, শিক্ষা, দক্ষতা, ক্ৰীড়া, মহাকাশ, জনসাধাৰণৰ মাজৰ সম্পৰ্ক আদিকে ধৰি বিভিন্ন ক্ষেত্ৰত থকা ব্যাপক কৌশলগত সহযোগিতাক অধিক আগুৱাই নিয়াৰ প্ৰতিশ্ৰুতিবদ্ধতা পুনৰ প্ৰকাশ কৰে। প্ৰথম ভাৰত-অষ্ট্ৰেলিয়া বাৰ্ষিক সন্মিলনৰ সময়ত আলোচিত নবীকৰণযোগ্য শক্তি সহযোগিতাৰ পাতনিক দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে আদৰণি জনায়।

00000000

শ্ৰীমোদী কালি চিলিৰ ৰাষ্ট্ৰপতি গেব্ৰিয়েল বৰিক ফণ্টৰ সৈতেও বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে এই আলোচনাত ঔষধ, প্ৰযুক্তি, মহাকাশ আৰু বিভিন্ন ক্ষেত্ৰত দেশখনৰ সৈতে সম্পৰ্ক শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰা হৈছে। তেওঁ কয় যে চিলিৰ সৈতে ভাৰতৰ বিভিন্ন খণ্ডত শক্তিশালী সম্পৰ্ক আছে। শ্ৰীমোদীয়ে চিলিত আয়ুৰ্বেদে জনপ্ৰিয়তা লাভ কৰাত সন্তোষ প্ৰকাশ কৰে। আয়ুৰ্বেদ খণ্ডতো উভয় দেশৰ মাজৰ সম্পৰ্ক ত্বৰান্বিত কৰিব পৰা যায় বুলি তেওঁ উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী কালি আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰপতি জেভিয়াৰ মিলেইৰ সৈতেও এখন বৈঠকত মিলিত হয়। বৈঠকত দুয়োগৰাকী নেতাই শক্তি, প্ৰতিৰক্ষা খণ্ডৰ উৎপাদন, বাণিজ্যিক আৰু সাংস্কৃতিক সম্পৰ্ক বৃদ্ধিৰ বিষয়ে আলোচনা কৰে। ভাৰত-আৰ্জেণ্টিনা কৌশলগত সহযোগিতাই পাঁচ বছৰ সম্পূৰ্ণ কৰিলে বুলিও শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

00000000

ৰিঅ' ডি জেনেৰ'ত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তিনিদিনীয়া ভ্ৰমণসূচীৰে গায়ানা লৈ ৰাওনা হৈছে। ১৯৬৮ চনৰ পাছত এয়া হ'ল কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথমটো গায়ানা ভ্ৰমণ। শ্ৰীমোদীয়ে ভ্ৰমণকালত জৰ্জটাউনত গায়ানাৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ ইৰফান

আলীৰ সৈতে আলোচনাত মিলিত হ'ব। ইয়াৰ উপৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে দ্বিতীয় কেৰিকম-ভাৰত সন্মিলনত অংশগ্ৰহণ কৰাৰ লগতে কেৰিকম ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য দেশসমূহৰ নেতাসকলৰ সৈতে বৈঠকত মিলিত হৈ অঞ্চলটোৰ লগত ভাৰতৰ দীৰ্ঘদিনীয়া বন্ধুত্ব অধিক শক্তিশালী কৰাৰ বিষয়ে আলোচনা কৰিব।

শ্ৰীমোদীয়ে গায়ানাৰ সংসদত ভাষণ দিয়াৰ উপৰি দেশখনত বাস কৰা ভাৰতীয় মূলৰ লোকসকলৰ সমাৱেশকো সম্বোধন কৰিব।

00000000

মহাৰাষ্ট্ৰৰ একক পৰ্যায়ৰ বিধানসভা নিৰ্বাচন আৰু ঝাৰখণ্ড বিধানসভাৰ নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ আৰম্ভ হৈছে। ইয়াৰ লগতে মহাৰাষ্ট্ৰৰ নাণ্ডেড় লোকসভা সমষ্টি, পাঞ্জাব, উত্তৰ প্ৰদেশ, কেৰালা আৰু উত্তৰাখণ্ডৰ ১৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণো আৰম্ভ হৈছে। বিয়লি ৫ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। অৱশ্যে সুৰক্ষাজনিত কাৰণত ঝাৰখণ্ডৰ নক্সাল অধ্যুষিত ৩১টা সমষ্টিত বিয়লি ৪ বজালৈকে ভোটগ্ৰহণ কৰা হ'ব।

মহাৰাষ্ট্ৰৰ ২৮৮টা বিধানসভা সমষ্টিৰ বাবে মুঠ ৪ হাজাৰ ১৩৬ গৰাকী প্ৰতিদ্বন্দ্বী নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। ইয়াৰ ভিতৰত ২ হাজাৰ ৮৬ গৰাকী নিৰ্দলীয় প্ৰাৰ্থী আছে। বিজেপিয়ে ১৪৯টা সমষ্টিত, শিৱসেনাৰ একনাথ সিন্দে গোটে ৮১টা সমষ্টিত আৰু এন চি পিৰ অজিত পাৱাৰ গোটে ৫৯টা সমষ্টিত প্ৰাৰ্থী দিছে। আনহাতে কংগ্ৰেছে ১০১টা সমষ্টিত, উদ্ধৱ থাকৰে নেতৃত্বাধীন শিৱসেনাই ৯৫টা সমষ্টিত আৰু এন চি পিৰ শাৰদ পাৱাৰ গোটে ৮৬টা সমষ্টিত প্ৰাৰ্থী ঠিয় কৰাইছে। বহুজন সমাজ পাৰ্টিৰ ২৩৭ গৰাকী আৰু এ আই এম আই এমৰ ১৭ জন প্ৰাৰ্থীৰ ভাগ্যও আজিৰ ভোটগ্ৰহণত নিশ্চিত হ'ব।

ইপিনে, ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত আজি ১২ খন জিলাৰ ৩৮টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত এক কোটি ২৩ লাখতকৈও অধিক ভোটদাতাই ৫৫ গৰাকী মহিলাকে ধৰি মুঠ ৫২৮ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা উল্লেখযোগ্য প্ৰাৰ্থীসকলৰ ভিতৰত হেমন্ত চোৰেন, বিজেপিৰ ৰাজ্যিক সভাপতি বাবুলাল মাৰাণ্ডি, বিধানসভাৰ অধ্যক্ষ ৰবীন্দ্ৰ নাথ মাহটো, বিধানসভাত বিৰোধী পক্ষৰ নেতা অমৰনাথ কুমাৰ বৌৰি, এ জে এছ্ ইউৰ সভাপতি সুদেশ কুমাৰ মাহটো, ৰাজ্যিক মন্ত্ৰী ইৰফান আনচাৰি, হাফিজুল হাচান, দীপিকা পাণ্ডে সিং আৰু কল্পনা চোৰেণ অন্যতম।

ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়া কে ৰবি কুমাৰে ভোটদাতা সকলক নিৰ্ভয়ে ভোটদান কৰিবলৈ আহ্বান জনাইছে। নিৰ্বাচন মুক্ত আৰু নিকাভাৱে সম্পূৰ্ণ কৰাৰ উদ্দেশ্যে কটকটীয়া সুৰক্ষা ব্যৱস্থা কৰা হৈছে। এই পৰ্যায়ৰ বাবে স্থাপন কৰা ১৪ হাজাৰ ২১৮টা ভোটগ্ৰহণ কেন্দ্ৰৰ আটাইকেইটাতে কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ লোক নিয়োগ কৰা হৈছে। আন্তঃৰাজ্যিক সীমান্তসমূহ বন্ধ কৰি দিয়া হৈছে আৰু অনুপ্ৰবেশ তথা অসামাজিক শক্তিসমূহক নিয়ন্ত্ৰণ কৰাৰ বাবে বিহাৰ আৰু পশ্চিম বংগ সীমান্তত বিশেষ যুঁটীয়া অভিযান আৰম্ভ কৰা হৈছে। যিকোনো পৰিস্থিতিৰ সন্মুখীন হ'ব পৰাকৈ হেলিকপ্তাৰো সাজু কৰি ৰখা হৈছে।

00000000

ভাৰতীয় আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ- আই এফ এফ আইৰ ৫৫ সংখ্যক সংস্কৰণ আজি গোৱাত আৰম্ভ হ'ব। গোৱাৰ মুখ্যমন্ত্ৰী ডাঃ প্ৰমোদ সাৱন্তে কালি এই মহোৎসৱ হ'বলগীয়া ড০ শ্যামা প্ৰসাদ মুখাৰ্জী ষ্টেডিয়ামত উপস্থিত হৈ প্ৰস্তুতিৰ বুজ লয়। আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত মুখ্যমন্ত্ৰীগৰাকীয়ে মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হোৱা বুলি জানিবলৈ দিয়ে।

ইপিনে, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ সচিব সঞ্জয় জাজুৱে আকাশবাণীৰ বাতৰি বিভাগক জনোৱা অনুসৰি মহোৎসৱত এইবেলি ভালেমান নতুন শিতান সংযোজন কৰা হৈছে। এই শিতানসমূহ যুৱ চলচ্চিত্ৰ নিৰ্মাতাসকলৰ প্ৰতি লক্ষ্য ৰাখি সংযোজন কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ কয় যে ক্ৰিয়েটিভ মাইণ্ডছ অৱ টুম'ৰ', অৰ্থাৎ ভৱিষ্যতৰ সৃষ্টিশীল মন মঞ্চত ১০০ গৰাকী অংশগ্ৰহণকাৰীয়ে সৃষ্টিশীলতা প্ৰদৰ্শন কৰিব। এইবাৰৰ মহোৎসৱত ১০০খন দেশৰ ৪০০ৰো অধিক চলচ্চিত্ৰ প্ৰদৰ্শিত হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

অহা ২৮ নৱেম্বৰত এই মহোৎসৱৰ সামৰণি পৰিব।

oooooooo

ভাৰত আজি বিহাৰৰ ৰাজগীৰত অনুষ্ঠিত মহিলাৰ এছিয়ান চেম্পিয়নছ্ ট্ৰফী হকী প্ৰতিযোগিতাৰ ফাইনেলত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতে কালি ছেমি ফাইনেলত জাপানক ২-০ গ'লত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। ভাৰতৰ হৈ নৱনীত কৌৰে খেলখনৰ ৪৮ মিনিটত পেণাল্টি শ্বটেৰে গল কৰে। লালাৰেমছিয়ামীয়ে ৫৬ মিনিটত দ্বিতীয়টো গ'ল দিয়ে।

ইপিনে চীনে কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত মালয়েছিয়াক ৩-১ গ'লত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। প্ৰতিযোগিতাত ভাৰত এতিয়ালৈকে এখনো খেলত পৰাজিত হোৱা নাই।

oooooooo

সমাপ্ত